CKRSD PDF publication

*২৫ ফেব্ৰুৱাৰী, ২০১৩, অসমীয়া প্ৰতিদিন*

# চিলাৰায় কেৱল ইতিহাসৰ অধ্যায় নহয়

অৰূপজ্যোতি দাস

আজিৰ পৰা প্ৰায় দুবছৰমান আগতে যেতিয়া আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰ কোচ ৰাজবংশীসকলৰ আত্ম নিয়ন্ত্ৰণৰ অধিকাৰৰ শক্তিশালী আন্দোলনটোৰ বিষয়ে অৱগত হৈছিলো, তেতিয়া স্বাভাৱিকতেই মনৰ ভিতৰত এক উৎসুকতাৰ সৃষ্টি হৈছিল। এনে নহয় যে নেপালৰ কোচ ৰাজবংশীসকলৰ বিষয়ে মই অৱগত নাছিলো, কিন্তু স্বজাতিৰ অধিকাৰ আৰু আত্মপৰিচয়ৰ ক্ষেত্ৰত যে তেওঁলোক ইমান আগবঢ়া সেই বিষয়হে অবগত নাছিলো। মোৰ উৎসুকতা অধিক বাঢ়ি গ'ল যেতিয়া গম পালো তেওঁলোকে দাবী কৰা প্ৰস্তাৱিত প্ৰদেশখনৰ নাম ৰখা হৈছে 'কোচিলা' প্ৰদেশ। কোচিলা (Kochila) কিয় ? 'ফেচ বুক'ৰ জৰিয়তে দুই এজন নেপালৰ কোচ ৰাজবংশী মোৰ বন্ধু ইতিমধ্যেই হৈছিল। তাৰে অষ্ট্ৰেলিয়াত অধ্যয়নৰত কৰ্ণ ৰাজবংশীক এই বিষয়ে সোধাত জনালে যে ৰাজবংশীসকলৰ মূল পৰিচয় 'কোচ' আৰু বিশ্ব মহাবীৰ চিলাৰায়ৰ নামৰ পৰা 'চিলা' অংশৰ সন্ধি কৰি প্ৰস্তাৱিত প্ৰদেশখনৰ নাম কোচিলা ৰখা হৈছে। ভাৱিলে আচৰিত লাগে যে দক্ষিণ এচিয়াৰ এটি গুৰুত্বপূৰ্ণ স্বাধিকাৰৰ আন্দোলনৰ নামাকৰণ অসমৰ ইতিহাসৰ এটি চৰিত্ৰৰে কৰা হৈছে, অথচ আমাৰ গমকে নাই। চিলাৰায় দিৱসৰ এই ক্ষণত অসমবাসীৰ বাবে ইয়াতকৈ বাৰু গৌৰৱৰ বিষয় কি হ'ব পাৰে। চৰকাৰী পৃষ্ঠপোষকতা অবিহনেই, চিএৰৱ-বাখৰ অবিহনেই চিলাৰায় বিশ্বদৰবাৰলৈ গুছি গ'ল। মোৰ যদি ভুল হোৱা নাই, তেনেহ'লে চিলাৰায়ে উত্তৰ-পূৰৰ একমাত্ৰ ঐতিহাসিক চৰিত্ৰ যাৰ প্ৰভাৱ উত্তৰ পূব অতিক্ৰমি দক্ষিণ এচিয়ালৈকে ব্যপ্ত হৈছে।

চিলাৰায়ৰ জন্ম আজিৰ উত্তৰ বংগত (তেতিয়াৰ কামতাপুৰত) আৰু মৃত্য গংগাৰ পাৰত। ঐতিহাসিক অসমত (আজিৰ নামনি অসমকে ধৰি বৰ্তমান অসমৰ আন বহু অঞ্চল তেতিয়া কামতাপুৰৰ অংশ) তেওঁৰ আগমন এগৰাকী আক্ৰমণকাৰী হিচাপে। তৎসত্বেও মিংগিমাহা বন্দুলাৰ দৰে চিলাৰায়ৰ সৈতে আমাৰ বেয়া স্মৃতি জড়িত নহয়। তাৰ কাৰণ হ'ল, তেওঁ ৰাজ্য জয় কৰাৰ লগতে, মানুহো জয় কৰিছিল। কোচ জনগোষ্ঠীক কোচ ৰাজবংশী জাতিত পৰিণত কৰিছিল। অধিক কি, কামতা ৰাজ্যৰ বিস্তাৰৰ সময়ত মূলত তেওঁৰ দূৰদৰ্শিতা আৰু ব্যক্তিতত আকৰ্ষিত হৈয়েই বোধহয় আন-আন জনগোষ্ঠীয়ে বিপুল পাৰিমাণে কোচ ৰাজবংশী নামৰ সামাজিক গোটটোত অৰ্ন্তভুক্ত হৈছিল। সেয়ে হয়তো, 'মনি কোঁৱৰ ৰআখ্যান' ত লিখা আছে, "কোচ কোচাৰী মিকিৰ লালুং চাৰি জাতি, ইসব কোচেৰ শাখা জানিবা সম্প্ৰতি'। মনি কোৱৰ আখ্যানত আকৌ কোৱা হৈছে, "মহাৰাজ বীৰ আৰিমত্ত কোচেৰ সন্তান, তান পুত্ৰ এক জোঙাল বলহু প্ৰমাণ, নগাওঁ চহৰি মৌজা তাহাৰ নগৰ, অদ্যাপি আছে জোঙাল বলহু নামে গড়'। এই ইতিহাসেই কোচ ৰাজবংশীসকলক আজি প্ৰগতিশীল হ'বলৈ বাধ্য কৰাইছে। কচাৰী ৰাজ্য জয় কৰি চিলাৰায়ে নিজ ভাতৃ গোহাইকমলক তাৰে শাসনকৰ্তা পতাৰ পিছতো, তথা সেই বংশই প্ৰায় দুশবছৰ বৰাক উপত্যকাত শাসন কৰাৰ পিছতো ডিমাচা কচাৰীসকলৰসৈতে কোচ ৰাজবংশীসকলৰ সাংঘাটিক ভাল সম্পৰ্ক। আজিৰ নগাঁও অঞ্চলৰ কোচ ৰাজবংশী বুলি পৰিচিতলোকসকলৰ এক বুজন অংশ প্ৰকৃততে ডিমাচা মূলৰ। আজিৰ একচেতীয়া জনগোষ্ঠীয় জাতীয়তাবাদৰ উথানৰ সময়ত চিলাৰায়ৰ সময়চোৱালৈ উভতি চোৱাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে। আৰু সেয়াই চিলাৰায় দিৱসৰ প্ৰাসংগিক চিন্তা হ'ব।

চিলাৰায় স্বগোষ্ঠীৰ উৰ্ধত গৈ উত্তৰ পূব ভাৰতত এখন ৰাষ্ট্ৰৰ পোখা মেলিছিল। কেইবাটিও সাংস্কৃতিক পৰিবৰ্তনৰ মাজেৰে যাব লগীয়াত পৰিছিল বাবেই তেওঁৰ বংশটো হৈ পৰিছিল প্ৰগতিশীল। কোচসকলৰ মাতৃ বংশৰ পৰম্পৰা অনুসৰি তেওৰ পিতৃ বিশুসিংহই কোচ পৰিচয় গ্ৰহণ কৰি কামতাপুৰত কোচ ৰজবংশৰ পাতনি মেলে। পিচে বিশ্বসিংহই হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ ফলত পৰৱৰ্তী পৰ্যাতত পিতৃ বংশৰ পৰম্পৰা আৰম্ভ হয়। এনেকুৱা ধৰ্মীয় আৰু জনগোষ্ঠীয় পৰিবৰ্তনৰ মাজেৰে পাৰ হোৱা চিলাৰায়ে শিক্ষা গ্ৰহণ কৰিছিল বানাৰসীত। হয়তো এনেবোৰ কাৰণতে নিজে শাক্ত হৈয়ো শংকৰদেৱৰ মোল বুজিবলৈ তেওঁ সক্ষম হৈছিল, যিটোৱে উত্তৰ -পূৰৰ আধ্যাতমিকতা আৰু সাহিত্যৰ ইতিহাসেই সলনি কৰি দিলে। চিলাৰায়ৰ কোনো ধৰ্মীয় গোড়ামিয়ো নাছিল। কোৱা হয় যে তেওঁৰ মুছলমান পত্নীয়ো আছিল। অথচ বিশ্বসিংহই মৃত্যুৰ সময়ত কৈ গৈছিল তেওঁৰ বংশধৰ সকলে যাতে অকল কোচ কচাৰী নাৰীহে বিবাহ কৰাই।

এই কথা চিলাৰায়ে বা নৰনাৰয়নে কিন্তু অন্ধভাৱে পালন কৰা নাছিল। ইয়াৰ অৰ্থ এইটো নহয় চিলাৰায় পিতৃভক্ত নাছিল। মৃত্যুমুখী পিতৃৰ মনোবাঞ্ছা পূৰণৰ বাবেই তেওঁ অসম অভিযান চলাইছিল। যি অভিযান তেওঁৰ পিতৃয়ে ৰচদৰ অভাৱত আধাতে সামৰিব লগাত পৰিছিল। চিলাৰায়ৰ অসম অভিযানেই সৃষ্টি কৰিলে গোহাই কমল আলি, যি পথেদি কোচ কামতা সৈন্য আগবাঢ়ি আহিছিল। কোচ বিহাৰৰ পৰা নাৰায়ণপুৰলৈকে ব্যপ্ত চিলাৰাইৰ ভাতৃ গোহাই কমলে বন্ধোৱা এই পথেই আধুনিক নামনি অসম আৰু উজনি অসমৰ যোগাযোগৰ আধাৰ। আজিৰ কোচ ৰাজবংশীসকলে যে নামনি অসম, উজনি অসম বা অসমীয়া বা বঙালী পৰিচয়ৰ উৰ্দ্ধত গৈ নিজকে আপোন বুলি চিনিব পাৰিছে, তাৰো আধাৰ এই গোহাইকমল আলিয়ে।

ইতিহাস সৃষ্টিকাৰী চিলাৰায়ৰ অসম অভিযানে যুদ্ধৰ বিষবাস্প বিয়পোৱতকৈ সম্প্ৰীতিৰ বতৰাহে বিয়পাইছিল। এই অভিযান যুদ্ধ অভিযানত কৈ সাংস্কৃতিক অভিযানত পৰিণত হৈছিল। কামাখ্যা মন্দিৰৰ পুৰ্ণনিৰ্মাণ তেওঁৰ অভিযানৰ ফল। আজি বিশ্বৰ হেজাৰ হেজাৰ ভক্তই শিৰ নত কৰা বৰ্তমানৰ কামাখ্যা মন্দিৰ তেৰে নিৰ্মাণ কৰা। শিলচৰলৈ যাবলৈ যিটো চমু পথৰ সন্ধান পোৱা গৈছে, সেইটো হেনো চিলাৰায়ে কচাৰী ৰাজ্যলৈ যোৱা পথটো। এই পথটোকেই আধুনিক ৰূপ দিয়াৰ কথা ভবা হৈছে। এনে অলেখ উদাহৰণ আছে, যি বোৰ সমসাময়িক বা পৰবৰ্তী ইতিহাসত বিচাৰি পোৱা নাযায়।

চিলাৰায়ৰ বৰ্তমানৰ যিটো আমিন গাঁওৰ মূৰ্ত্তিকেন্দ্ৰিক ইমেজ সেইটো কল্পনাৰ ওপৰত আধাৰিত, কিন্তু চিলাৰায়ৰ অসম, উত্তৰ বংগ আৰু নামনি নেপালৰ সমাজ জীৱনত যিটো ইমেজৰ সৃষ্টি হৈছে, সেইটো এক সত্যৰ ওপৰত আধাৰিত। চিলাৰায় মাথোঁ এটি দিৱস নহয় যে পালন কৰিলো আৰু পাহৰি গলো, মাথোঁ এটি কিংবদন্তী নহয় যে শৈশৱত আইতাৰ মুখত শুনিছিলো আৰু যৌৱনত পাহৰি গলো। চিলাৰায় মাথোঁ ইতিহাসৰ এটা অধ্যায় নহয় যে পৰীক্ষা শেষ হলেই তাৰ প্ৰাসংগিকতা নোহোৱা হ'ব। চিলাৰয়ক অতীতত এৰি থৈ অহা নাযায়। জাতি-ধৰ্ম আৰু আঞ্চলিকতাবাদৰ উৰ্ধত প্ৰতিষ্ঠিত চিলাৰায় আধুনিকতাৰ প্ৰতীক। সেয়ে হয়তো ভুপেন হাজৰিকাৰ গানতো 'চিলাৰায়', ধেমাজিৰ চাউলধোৱা গাওঁতো চিলাৰায় পথ, উত্তৰ বংগত 'চিলাভোজ', ভঙাগড়ত চিলাৰায়ৰ নামত ফাৰ্মাচী, গণেশগুৰিত চিলাৰায় আৰ্ট বিচাৰি পোৱা যায়। চিলাৰায়ক বিচাৰি পোৱা যায় কহিনুৰৰ মঞ্চত অথবা নিৰ্মল বৰুৱাৰ ভিডিঅ' ছবিত।